Total No. of Printed Pages—4

**4 SEM TDC ASM (CBCS) MIL**

**2025**

( May/June )

ASSAMESE

( Modern Indian Language )

Paper : MIL–2

**( Selection from Assamese Literature )**

*Full Marks* : 80

*Pass Marks* : 32

*Time* : 3 hours

*The figures in the margin indicate full marks for the questions*

১। চমু উত্তৰ লিখাঁ (যি কোনো সাতোটা) : ১×৭=৭

(ক) হেম সৰস্বতী কোন যুগৰ কবি?

(খ) প্ৰথম অসমীয়া ছনেট কবিতাটিৰ নাম কি?

(গ) ৰঘুনাথ চৌধাৰীক কি কবি বুলি আখ্যা দিয়া হয়?

(ঘ) 'বিংশ শতাব্দীৰ অসমীয়া বিজ্ঞান সাহিত্য'ৰ লেখক কোন?

(ঙ) 'পিম্পৰা গুচোৱা'ৰ বিষয়বস্তুৰ উৎস কি?

(চ) ১৯৭৯ চনত উত্তৰ টাঞ্জানিয়াৰ আগ্নেয়গিৰিৰ ছাইত মানৱ-সদৃশ জীৱৰ খোজৰ চিহ্ন আৱিষ্কাৰ কৰা নৃবিজ্ঞানীজনৰ নাম কি আছিল?

(ছ) তবাদৈ চৰিত্ৰটো তোমাৰ পাঠ্য কোনটো গল্পত পোৱা যায়?

(জ) হীৰেন ভট্টাচাৰ্য ৰচিত এখনি কাব্যপুথিৰ নাম উল্লেখ কৰাঁ।

২। (ক) হেম সৰস্বতীৰ কাব্যকৃতিৰ পৰিচয় দি হিৰণ্যকশিপু আৰু নৰসিংহৰ যুদ্ধৰ এক বিৱৰণ তোমাৰ পাঠ্য কবিতাৰ আধাৰত দিয়াঁ। ৪+৬=১০

*অথবা*

(খ) কবি পৰিচয়সহ 'গোলাপ' কবিতাৰ এটি বিশ্লেষণ আগবঢ়োৱাঁ। ৪+৬=১০

৩। প্ৰসঙ্গ-সঙ্গতি দৰ্শাই ব্যাখ্যা কৰাঁ (যি কোনো দুছোৱা) : ৫×২=১০

(ক) কি কহব শঙ্কৰ দেৱক মহিমা
জানি অন্ত নপাই।
জাকেৰি চৰণক ৰেণু শিৰে পৰশি
মুকুতি-সুখ সুখে পাই॥





(খ) ফুল ফুলে, সৰি যায়, শুকায় বননি;
বসন্তৰ কুঁহিপাত ৰ'দত লেবেলে।
তোমাৰ চিঠিয়ে, প্ৰিয়ে, জানে কি মোহিনী,
নিতৌ নোহোৱা বাহী ন ন ফুল মেলে।

(গ) মোৰ এই তেজাল আকাশ
আৰু তাৰ প্ৰান্তৰৰ সেউজীয়া ঘাঁহ
তাৰ পিছত, পাৰ হৈ গ'ল
চ'তৰ নিদাঘ-জুই আৰু বহাগৰ
কতনা ধুমুহা।

৪। (ক) সমাজৰ শ্ৰমজীৱী লোকসকলৰ দুখ-দুৰ্দশাৰ চিত্ৰ 'এটা চোলাৰ কাহিনী' নাটকত কিদৰে প্ৰকাশ পাইছে, আলোচনা কৰাঁ। ১২

*অথবা*

(খ) 'পিম্পৰা গুচোৱা' ঝুমুৰাত প্ৰকাশিত কৃষ্ণ আৰু যশোদা চৰিত্ৰ দুটিৰ এটি বিশ্লেষণ আগবঢ়োৱাঁ। ৬+৬=১২

৫। (ক) আনন্দৰাম ঢেকিয়াল ফুকনৰ সাহিত্যকৃতিৰ চমু আভাস দি 'ইংলণ্ডৰ বিৱৰণ' পাঠটিৰ মূল কথাখিনি চমুকৈ লিখাঁ। ৪+৮=১২

*অথবা*

(খ) "পৰীক্ষাভিত্তিক জ্ঞান-সাধনা আৰু জ্ঞানৰ ব্যৱহাৰিক প্ৰয়োগৰ ওপৰত গুৰুত্ব দিয়াৰ ফলত বিকাশৰ নতুন যুগ আৰম্ভ হ'ল।" 'বিজ্ঞান আৰু সভ্যতা' পাঠটিৰ আধাৰত এটি আলোচনা আগবঢ়োৱাঁ। ১২

৬। (ক) ভবেন্দ্রনাথ শইকীয়াৰ গল্পৰ বৈশিষ্ট্যসমূহ উল্লেখ কৰি 'এন্দুৰ' গল্পৰ বিষয়বস্তুৰ আভাস দিয়াঁ। ৭+৫=১২

*অথবা*

(খ) 'উদং বাকচ' গল্পটিৰ চৰিত্ৰ-চিত্ৰণ সম্পৰ্কে আলোচনা কৰাঁ। ১২

৭। (ক) ''কপিলীয়েই কপিলীপৰীয়া মানুহৰ জীৱন। কপিলী জীয়া নৈ.....সিহঁতৰ জীৱন আৰু মৃত্যুৰ স'তে এই জীয়া নৈখন মিহলি হৈ থাকে।'' এই উক্তিৰ আধাৰত উপন্যাসখনিত কপিলী পাৰৰ জনজীৱনৰ চিত্ৰ কেনেদৰে চিত্ৰিত হৈছে, বিৱৰি লিখাঁ। ১২

*অথবা*

(খ) যি কোনো দুটা চৰিত্ৰৰ বিশ্লেষণ আগবঢ়োৱাঁ : ৬×২=১২

ৰূপাই; তিলক গোঁসাই; সোণ পাখী।

৮। চমু টোকা লিখাঁ (যি কোনো এটা) : ৫

(ক) ঝুমুৰাৰ বৈশিষ্ট্য

(খ) কুলেন্দু পাঠক

(গ) মামণি ৰয়চম গোস্বামী

★★★